# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে সম্প্ৰতি ওড়িশাত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ধুমুহা-বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত আজি ৰাজ্যখনৰ মুখ্য সচিবৰ লগতে ফোনযোগে বাৰ্তালাপ কৰে। তেওঁ মুখ্যসচিবগৰাকীৰ পৰা পৰিস্থিতিৰ বুজ লৈ সাহায্য, পুনৰ সংস্থাপন আৰু সতৰ্কতামূলক ব্যৱস্থাসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ড° শৰ্মাই লগতে ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত দুজন লোকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰয়োজনীয় সকলো সাহায্য আৰু আহতসকলক সময়মতে চিকিৎসা প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে কিছু সময়ৰ পাছতে ৰাজ্যৰ মুখ্য সচিবে আৰক্ষী সঞ্চালকপ্ৰধানৰ উপস্থিতিত জিলাসমূহৰ আয়ুক্ত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বিষয়ববীয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে সমগ্ৰ ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। এই বৈঠকতে ক্ষতিগ্ৰস্তসকলৰ সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ লগতে তাৎক্ষনিক সাহায্য প্ৰদানৰ ব্যৱস্থা লোৱা হ'ব।

০০০০০০০

বংগোপসাগৰৰ উত্তৰ দিশৰ পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যখনৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত কালিৰেপৰা জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। ৰাজ্যত আজি ধাৰাসাৰ ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত চাৰিজন লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে। **মৰিগাঁও** জিলাৰ ধূপগুৰিত এজন ছাত্ৰৰ গাত গছ বাগৰি পৰাৰ ফলত ছাত্ৰজন মৃত্যুমুখত পৰে। আনহাতে, কামৰূপ জিলাত এজন আৰু কামৰূপ মহানগৰত আন এজন লোকৰ ধুমুহাৰ ফলত মৃত্যু হয়। ইফালে, গেৰুকামুখত এন এইচ পি চি প্ৰকল্পৰ কৰ্মী এগৰাকীৰ ভূমি স্খলনৰ ফলত মৃত্যু হৈছে। ৰেমল নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন ঠাইত ধাৰাসাৰ বৰষুণ হৈ আছে আৰু কেইবাখনো জিলাত সতৰ্কতা জাৰি কৰা হৈছে। চৰকাৰী সংস্থাসমূহে **বঙাইগাঁও, দৰং, ধুবুৰী, হোজাই, কামৰূপ, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড অৰ্থাৎ এ পি ডি চি এলৰ সা-সম্পত্তিসমূহৰ ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে। **কৰিমগঞ্জ** জিলাৰ পাথাৰকান্দি ৰাজহচক্ৰৰ ঠাই বিশেষে আকস্মিক বানৰ সৃষ্টি হোৱা দেখা গৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী ভালেমান ঠাইত বৃদ্ধি পাইছে। **চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা-হাচাও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমাৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলং** জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

**নগাঁও** জিলাৰ বিভিন্ন স্থানত ধুমুহাই বিস্তৰ ক্ষতি কৰা বুলি জানিব পৰা গৈছে। জিলাখনৰ কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলসমূহৰ ঠায়ে ঠায়ে পথৰ কাষত গছ উভালি পৰাৰ লগতে প্ৰকাণ্ড গছৰ ডাল ভাগি পৰাৰ ফলত পথসমূহেৰে যাতায়াত ব্যাহত হৈছে। মহকুমা প্ৰশাসনে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লৈছে। জিলাখনত ৫৫ টা বাসগৃহ ধুমুহাৰ ফলত ভাগি পৰা বুলি জানিব পৰা গৈছে। ইপিনে, নগাঁও ৰে'ল ষ্টেচনত আজি পুৰা গছ বাগৰি পৰি এজন লোক গুৰুতৰভাৱে আহত হয়। জিলাখনত ৰেড এলাৰ্ট জাৰি কৰাৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্তই জনসাধাৰণক যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে সাজু থাকিবলৈ আহ্বান জনাইছে। শিক্ষানুষ্ঠানসমূহ আজি বন্ধ ৰখাৰ লগতে পৰিস্থিতি একেই থাকিলে কাইলৈও বন্ধ ৰখা হ'ব বুলি জিলা প্ৰশাসনে

জানিবলৈ দিছে। মৰিগাঁও জিলাতো জিলাখনৰ আয়ুক্তৰ নিৰ্দেশমৰ্মে আজি শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখা হয়। আজি শৈক্ষিক ক্ষতি অন্য এদিন পূৰণ কৰা হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**ডিব্ৰুগড়** জিলাত ঘূৰ্ণী বতাহৰ ফলত ধাৰাসাৰ বৰষুণ অব্যাহত আছে। জিলাখনৰ বিভিন্ন স্থানত ধুমুহাৰ ফলত বিদ্যুৎ যোগান ব্যাহত হোৱাৰ লগতে পথ যোগাযোগো ব্যাহত হৈছে।

**মাজুলীত** ধাৰাসাৰ বৰষুণ আৰু ঘূৰ্ণী বতাহৰ বাবে জিলা প্ৰশাসনে কাইলৈ জিলাখনৰ সকলো বিদ্যালয় বন্ধ ৰখাৰ নিৰ্দেশ দিছে। আনহাতে, **যোৰহাট-মাজুলী** সংযোগী ফেৰী সেৱাও অনিৰ্দিষ্ট কালৰ বাবে বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। **গোলাঘাট** জিলাতো ধুমুহা-বৰষুণৰ ফলত ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। জিলাখনৰ গোলাঘাট, দেৰগাঁও, মৰঙী, নুমলীগড় আদিত বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰত গছ উভালি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈছে। প্ৰচণ্ড ঘূৰ্ণী বতাহৰ ফলত ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কেইবাখনো বাহনৰ বিস্তৰ ক্ষতি হৈছে।

**ডিমা হাচাও** জিলাৰ হাফলঙত ধাৰাসাৰ বৰষুণৰ ফলত হোৱা ভূমিস্খলন আৰু বানে স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত কৰিছে। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জিলাখনৰ সকলো শিক্ষানুষ্ঠান কাইলৈ পৰ্যন্ত বন্ধ ৰখাৰ নিৰ্দেশ দিছে। তদুপৰি জনসাধাৰণক অত্যন্ত প্ৰয়োজন নহ'লে ঘৰতে থকাৰ লগতে সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। ইয়াৰ লগতে লোকনিৰ্মাণ, কৃষি, এ পি ডি চি এল, জলসিঞ্চন, ভূমি সংৰক্ষণ, পশুপালন আৰু পশু চিকিৎসা বিভাগকে ধৰি সংশ্লিষ্ট বিভাগসমূহলৈও উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। ইপিনে, জাতিংগা-হাৰাংগাজাও সংযোগী পথেৰে ১ জুন পৰ্যন্ত গধুৰ বাণিজ্যিক বাহনৰ চলাচল নিষিদ্ধ কৰা হৈছে। জিলাখনত ভূমি স্খলনৰ ফলত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হৈছে।

ৰাজ্য চৰকাৰে লগতে জনসাধাৰণক স্থানীয় প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি **গোৱালপাৰা, ডিমা-হাচাও, কাছাৰ** আৰু **কৰিমগঞ্জ** জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

0000000